**ৰাষ্ট্ৰীয় বীমা কোম্পানী লিমিটেড**

**বনাম**

**শ্ৰীমতী সোৰ্ণা আইকাই আৰু অন্যান্য**

৯ জুলাই, ২০০৭

[ন্যায়াধীশ এ. কে. মাথুৰ আৰু ন্যায়াধীশ দলভিৰ ভাণ্ডাৰী]

*বীমাঃ*

*ইন্সুৰেন্স পলিচী(বীমাৰ চুক্তিপত্ৰ)- কাৰ্য্যকৰীতা- উপস্থাপন কৰে, পলিচীত নিৰ্দিষ্টভাৱে উল্লিখিত সময় আৰু তাৰিখৰ পৰা কাৰ্যকৰী আৰু পূৰ্বৰ পৰা নহয়।*

আপীলকাৰী- বীমা কোম্পানীয়ে উত্তৰদাতাক ২২.০৬.১৯৯৪ত এখন বীমা পলিচী জাৰি কৰিছিল। এই পলিচীৰ ম্যাদ ২১.০৬.১৯৯৩ত শেষ হৈছিল আৰু ৩০.০৬.১৯৯৩-ত ইয়াৰ ম্যাদ শেষ হোৱাৰ ৬দিনৰ পিছত নৱীকৰণ কৰা হৈছিল। উক্ত বীমা পলিচীৰ ম্যাদ ২৯.০৬.১৯৯৪ৰ উকলি গৈছিল। ম্যাদ উকলি যোৱাৰ ২১দিনৰ পিছত ২০.০৭.১৯৯৪ত পুৱা ৯.১৫বজাত সংঘটিত দুৰ্ঘটনাত দুজন লোকৰ মৃত্যু হৈছিল। একেদিনাই ২০.০৭.১৯৯৪ৰ দুপৰীয়া ২বজাত বীমা পলিচীখন নবীকৰণ কৰা হৈছিল। 'মটৰ নৱীকৰণ অনুমোদন' নথিত সময়টো বিশেষভাৱে উল্লেখ কৰিছে।

এম.এ.চি.টি.-য়ে বীমা পলিচীৰ নিৰ্দিষ্ট চৰ্তবোৰ উপেক্ষা কৰি দাবী আবেদনখনৰ অনুমতি দিছিল। আপীলত উচ্চ ন্যায়ালয়ে বীমা কোম্পানীক আবেদনকাৰী কোম্পানীয়ে কেচিয়াৰ আৰু ডেভেলপমেণ্ট অফিচাৰক হাজিৰ নকৰাৰ বাবে ক্ষতিপূৰণ দিবলৈ দায়বদ্ধ বুলি ঘোষণা কৰে।

সেয়েহে এই আপীলসমূহ গ্ৰহন কৰি, আদালতে

উপস্থাপন কৰে, ১.১ বীমা পলিচীৰ কাৰ্য্যকৰীতা পলিচিত নিৰ্ধাৰণ কৰা সময় আৰু তাৰিখৰ পৰা হ'ব, পূৰ্বৰ পৰা নহয়। [দফা ১৯] [১১৪- চি.]

১.২ স্বীকাৰ কৰিব পাৰি যে, ২০.০৭.১৯৯৪ত পুৱা ৯বজাত দুৰ্ঘটনাটো সংঘটিত হোৱাৰ সময়ত উত্তৰদাতাৰ বীমা আৱৰণ নাছিল। বীমা পলিচীখন ২০.০৭.১৯৯৪ৰ দুপৰীয়া ২বজাত লাভ কৰা হৈছিল, যিটো মটৰ নৱীকৰণ অনুমোদনৰ পৰা স্পষ্টভাৱে প্ৰমাণ হয়। বীমা পলিচী আৰু মটৰ নৱীকৰণ অনুমোদন নথিভুক্তহৈ আছে। এই দুয়োখন নথি আপীলকাৰী কোম্পানীয়ে প্ৰস্তুত কৰিছিল আৰু প্ৰমাণ কৰিছিল। ট্ৰাইবুনেল আৰু উচ্চ ন্যায়ালয়ে এই মৌলিক আৰু গুৰুত্বপূৰ্ণ নথিপত্ৰ আওকাণ কৰা লগতে কেছিয়াৰ আৰু ডেভেলপমেন্ট অফিচাৰৰ হাজিৰ নকৰাৰ যুক্তিত আপীলকাৰী কোম্পানীৰ বিৰুদ্ধে গোচৰৰ নিষ্পত্তি কৰাৰ ক্ষেত্ৰত গুৰুতৰভাৱে ভুল কৰিছে। [দফা ১২ আৰু ১৩) [১১২-জি-এইচ; ১১৩-এ-বি]

*নিউ ইণ্ডিয়া বীমা কোম্পানী বনাম ৰাম দয়াল,* [১৯৯০] ২ এছ.চি.আৰ. ৫৭০; *মেচাৰ্চ ৰাষ্ট্ৰীয় বীমা কোম্পানী লিমিটেড বনাম শ্ৰীমতী জিখুভাই নাথুজী দাভি,* [১৯৯৭] ১ এছ.চি.চি. ৬৬; *মেচাৰ্চ অৰিয়েণ্টেল ইন্সুৰেঞ্চ কো. লিমিটেড বনাম সুনীতা ৰাথি,* [১৯৯৮] ১ এছ.চি.চি. ৩৬৫; *নিউ ইণ্ডিয়া এচুৰেন্স কোম্পানী বনাম ভাগৰতী দেৱী,* [১৯৯৮] ৬ এছ.চি.চি. ৫৩৪; *নিউ ইণ্ডিয়া এচুৰেন্স কো. লিমিটেড বনাম সীতা বাই,* [১৯৯৭] ৭ এছ.চি.চি. ৫৭৫; *ৰাষ্ট্ৰীয় বীমা কোম্পানী লিমিটেড বনাম চিন্তো দেৱী,* [২০০০] ৭ এছ.চি.চি. ৫০ আৰু *কালাইভানি এণ্ড অন্যান্য বনাম কে. শিৱশংকৰ এণ্ড অন্যান্য,* (২০০১) ১০ এছ.চি. ৩৯৬-ৰ ওপৰত নিৰ্ভৰ কৰা হৈছে।

**দেৱানী আপীলীয় ক্ষেত্ৰাধিকাৰঃ** দেৱানী আপীল নং **১৩৯৩-২০০১।**

অসম, নাগালেণ্ড, মেঘালয়, মিজোৰাম, মণিপুৰ, ত্ৰিপুৰা আৰু অৰুণাচল প্ৰদেশ উচ্চ ন্যায়ালয় (শ্বিলং পীঠ)ৰ এম.এ. (এফ) ১৯৯৮চনৰ ৩নং (এছ.এইচ.)ৰ সৈতে ২০০১চনৰ চি.এ. ১৩৯৪-ত ০৪.১০.১৯৯৯ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

২০০১চনৰ চি.এ. নং ১৩৯৩ আৰু ১৩৯৪-ত আপীলকাৰীৰপক্ষত কে. সিংঘল, বিনীত মালহোত্ৰা আৰু ৰাজীৱ নন্দা আৰু বিনু তাম্টা।

আদালতৰ ৰায় দিয়ে

**ন্যায়াধীশ দলভিৰ ভাণ্ডাৰী**, ১. এই আপীলসমূহ ১৯৯৮চনৰ এম.এ.(এফ) নং ৩ (এছ.এইচ.) আৰু ৪(এছ.এইচ.)ত গৌহাটী উচ্চ ন্যায়ালয়ে প্ৰদান কৰা ০৪-১০-১৯৯৯তাৰিখৰ ৰায়ৰ বিৰুদ্ধে নিৰ্দেশিত।

২. এই দুয়োটা আপীলৰ তথ্য একে, সেয়েহে, এই আপীলবোৰ এটা সাধাৰণ ৰায়ৰ দ্বাৰা নিষ্পত্তি কৰা হৈছে। সুবিধাৰ বাবে ২০০১চনৰ ১৩৯৪ নং দেৱানী আপীলৰ তথ্যসমূহ পুনৰ উল্লেখ কৰা হৈছে।

৩. এই আপীলসমূহৰ বিচাৰৰ বাবে যি প্ৰশ্ন উত্থাপন হয় সেয়া হ'ল- বীমা কোম্পানীক পলিচী অস্তিত্বত নথকা সময়ৰ বাবে ক্ষতিপূৰণ পৰিশোধৰ কৰিবলৈ দায়বদ্ধ কৰিব পাৰি নেকি।

৪. আপীলকাৰী, ৰাষ্ট্ৰীয় বীমা কোম্পানী লিমিটেডে মূলতঃ উত্তৰদাতাক বীমা পলিচী এখন ২২-০৬-১৯৯২-ৰ ১২.৪৫বজাত জাৰি কৰিছিল, যাৰ নম্বৰ আছিল- ২০১০০২/৩১/৯২/৬৩/০০০৫৭। এই পলিচীৰ ম্যাদ ২১-০৬-১৯৯৩-ত শেষ হৈছিল। এই পলিচীৰ ৩০-০৬-১৯৯৩-ত ইয়াৰ ম্যাদ উকলি যোৱাৰ ৯দিনৰ পিছত নবীকৰণ কৰা হৈছিল আৰু উক্ত পলিচীৰো ম্যাদ ২৯-০৬-১৯৯৪-ত উকলি গৈছিল। উক্ত বীমা পলিচীৰ ম্যাদ উকলি যোৱাৰ ২১ দিনৰ পিছত, পঞ্জীয়ন নম্বৰ এম.এল.০৪-২৭৪১-ৰ পুৰা ৯-১৫বজাত দুৰ্ঘটনাৰ সন্মুখীন হয় আৰু দুজন লোকৰ মৃত্যু হয়। এজনৰ ঘটনাস্থলীতে মৃত্যু হয় আৰু আনজনৰ কেইদিনমানৰ পিছত চিকিৎসালয়ত মৃত্যু হয়। স্বীকাৰ কৰিব পাৰি যে, বৰ্তমানৰ ক্ষেত্ৰত ২০-০৭-১৯৯৪-ৰ ২বজাত বীমা পলিচী নৱীকৰণ কৰা হৈছিল। আনহাতে, ২০-০৭-১৯৯৪-ৰ ৰাতিপুৱা ৯-১৫বজাত সংঘটিত হৈছিল। মটৰ নৱীকৰণ অনুমোদন নামৰ নথিত সময়টো বিশেষভাৱে উল্লেখ কৰা হৈছে। এই নথিত অন্তৰ্ভুক্ত কৰা হৈছে যে, পলিচীখন ২০-০৭-১৯৯৪(দুপৰীয়া ২ বজাত)ৰ পৰা ১৯-০৭-১৯৯৫লৈ বাৰ মাহৰ বাবে নবীকৰণ কৰা হয়। যিহেতু, সমগ্ৰ বিতৰ্কটো নৱীকৰণ অনুমোদনৰ বিষয়ক, সেয়েহে আমি তলত দিয়া ধৰণে মটৰ নৱীকৰণ অনুমোদন সম্পূৰ্ণৰূপে নিৰ্ধাৰণ কৰাটো উপযুক্ত বুলি বিবেচনা কৰোহঁকঃ

### *মটৰ নৱীকৰণ অনুমোদন*

পলিচী নং ২০১০০২১৩১১৯২/৬৩/০০০৫৭ত

অনুমোদন নং ই/৯৪/০০০৯৫

বীমাকৃত হৈছেঃ মাৰটিয়াং, A/c. শ্ৰী একলেঞ্চিং ছিয়াংছাই

ঠিকনাঃ উম্মুলং, জয়ন্তীয়া পাৰ্বত্য জিলা।

ইয়াৰ দ্বাৰা ঘোষণা কৰা আৰু সন্মত হয় যে, তলত দিয়া ধৰণে এই পলিচীৰ দ্বাৰা বীমা ২০-০৭-৯৪(দিনৰ ২বজাৰ)ৰ পৰা ১৯-০৭-৯৫লৈ বাৰ মাহৰ বাবে তলত বৰ্ণনা কৰা অনুসৰি ৭৬৪১টকা প্ৰিমিয়ামত নৱীকৰণ কৰা হয়ঃ

বাহনসমূহঃ-

| নিৰ্মাণ আৰু নিৰ্মাণৰ বৰ্ষ | পঞ্জীয়ন চিহ্ন আৰু নং | বডিৰ ধৰণ আৰু চি.চি. | চালক ও যাত্ৰীসহ আসনৰ সংখ্যা | আনুসংগিক মূল্যৰ সৈতে বীমা আনুমানিক মূল্য (ভাৰতীয় টকাত) |
|---|---|---|---|---|
| টাটা বাছ, ১৯৯২ | এম.এল.-২৭৪১ | বাছৰ বডি, ৩১.৫ | ২৮+২ | ৩,০০,০০০/- |

নিৰ্ধাৰিত প্ৰিমিয়ামঃ

a. আইন/টি.পি. নিজা খৰছ......... ৪৫০.০০টকা

b.নিজা খৰছ আই.ই.ভি........ ৩,৪৫০.০০টকা

c. ৩,৯০০.০০টকা

d. ২৮সংখ্যক যাত্ৰী..... ৩,০৮০.০০টকা

e. আইন, ডি/চি.... ৬৮০.০০টকা

৭,৬৬০.০০টকা

f. ৫% এচ. ডি. লাঘৱ.... ৩৮৩.০০টকা

৭,২৭৭.০০টকা

৫% এচ. টি. যোগ.... ৩৬৩.৮৫টকা

৭,৬৪০.৮৫টকা

নেট= ৭,৬৪১/-

সাক্ষৰ/-..................... সংমাগুলিক/শাখা সঞ্চালক”

৫. উপৰোক্ত মটৰ নৱীকৰণ অনুমোদনত সময় আৰু তাৰিখ বিশেষভাৱে উল্লেখ কৰা হৈছে। আপীলকাৰীৰ মতে, চুক্তিৰ বিশেষ প্ৰকৃতিৰ প্ৰতি লক্ষ্য ৰাখি, বীমা পলিচী কেৱল ২০-০৭-১৯৯৪ত দিনৰ ২বজাৰ পৰা কাৰ্যকৰী হৈছিল।

৬. প্ৰতি বছৰে ১২শতাংশ হাৰ সুতত ১,৭৮,০০০টকাৰ দাবী আবেদন জোৰাইৰ মটৰ দুৰ্ঘটনা দাবী ন্যায়াধিকৰণত দাখিল কৰা হৈছিল। আপীলকাৰী কোম্পানীয়ে এক লিখিত বিবৃতি দাখিল কৰিছিল য'ত বিশেষভাৱে অনুৰোধ কৰা হৈছিল যে, দুৰ্ঘটনাৰ সময়ত পলিচী চলি থকা নাছিল। লিখিত বিবৃতিটোৰ প্ৰাসংগিক দফাটো তলত উল্লেখ কৰা ধৰণৰঃ

> "দুৰ্ঘটনাৰ সময়ত পলিচীখন চলিত নাছিল। ২০-০৭-৯৪ত প্ৰায় দিনৰ ২বজাত প্ৰায় ৩সপ্তাহৰ পিছত বাহনখনৰ পুনৰ বীমা কৰা হৈছিল। আনহাতে অভিযুক্ত দুৰ্ঘটনাটো সেইদিনাই ৰাতিপুৱা ৯.১৫বজাত সংঘটিত হৈছিল। সেয়েহে বিপৰীত পক্ষ (বীমা কোম্পানী) দাবীদাৰক কোনো ধন পৰিশোধ কৰিবলৈ দায়বদ্ধ নহয়। বীমা প্ৰমাণপত্ৰৰ প্ৰতিলিপি সংলগ্ন কৰা হৈছে।"

৭. মটৰ দুৰ্ঘটনা দাবী ন্যায়াধিকৰণে বীমা পলিচীৰ নিৰ্দিষ্ট চৰ্তসমূহ আৰু আপীলকাৰী কোম্পানীয়ে দাখিল কৰা লিখিত বিবৃতিৰ তথ্যসমূহ উপেক্ষা কৰি দাবী আবেদনখনৰ অনুমতি দিয়ে। ন্যায়াধিকৰণে এই আদালতৰ ধাৰাবাহিকভাৱে দিয়া ৰায়সমূহৰ দ্বাৰা স্পষ্টীকৰণত নিষ্পত্তি হোৱা আইনী স্থিতিকো উপেক্ষা কৰিছিল। ন্যায়াধিকৰণে ক্ষতিপূৰণ হিচাপে দাবী আবেদনৰ কাৰ্য্যকৰীকৰণৰ পৰা বছৰি ১২শতাংশ সুতত ৫লাখ টকা প্ৰদান কৰে আৰু আপীলকাৰী কোম্পানীক দুমাহৰ ভিতৰত একেখিনি পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়া হয়, য'ত বিফল হ'লে দাবীদাৰক ক্ষতিপূৰণৰ চূড়ান্ত পৰিশোধ নকৰালৈ ১৫শতাংশৰ অতিৰিক্ত সুত পৰিশোধ কৰা হ'ব।

৮. ন্যায়াধিকৰণৰ নির্দেশত ক্ষুব্ধ হৈ আপীলকাৰী কোম্পানীটোৱে গৌহাটী উচ্চ ন্যায়ালয়ৰ শ্বিলং পীঠত ১৯৯৮চনৰ এম.এ.(এফ)নং৪(এছ.এইচ.) দাখিল কৰিছিল। উচ্চ ন্যায়ালয়ে আবেদনসমূহ পর্য্যবেক্ষণ কৰে আৰু আদালতে নির্ণয় কৰা গোচৰবোৰৰ উল্লেখ কৰিছিল। উচ্চ ন্যায়ালয়ে আদালতৰ বিভিন্ন ৰায়ৰ আলোচনাৰ পিছত আইনৰ নিম্নলিখিত প্রস্তাৱসমূহ গ্রহণ কৰেঃ

(i) যদি বীমা পলিচী বা কভাৰ নোটত সময় উল্লেখ কৰা থাকে, পলিচীৰ কার্য্যকৰীতা সেই সময় আৰু তাৰিখৰ পৰাই আৰম্ভ হ'ব, আগৰ সময়ৰ পৰা নহয়;

(ii) যদি বীমা পলিচীত উল্লেখ কৰা সময়ৰ আগৰ দিনটোত দুর্ঘটনাটো সংঘটিত হয়, তেন্তে ইন্সুৰাৰ(বীমাকর্তা) বীমাকৃত(ইন্সিউৰদ)জনক ক্ষতিপূৰণ দিবলৈ দায়বদ্ধ নহ'ব;

(iii) যদি বীমা পলিচীত সময় উল্লেখ কৰা নাই, এইখন সেই তাৰিখৰ পৰা আৰম্ভ হ'ব অর্থাৎ মাজনিশাৰ পৰা আৰম্ভ হ'ব আৰু যদি পলিচী লোৱাৰ তাৰিখত দুর্ঘটনা সংঘটিত হয়, তেন্তে বীমাকর্তা প্রাপ্ত ৰায়ৰ অধীনত বীমাকৃতৰ দায়বদ্ধতা পূৰণ কৰিবলৈ দায়বদ্ধ হ'ব।"

৯. এই আদালতৰ নির্ণয় কৰা গোচৰৰ উচ্চ ন্যায়ালয়ে বিচাৰি উলিওৱা অনুপাতটো সঠিক কিন্তু, উচ্চ ন্যায়ালয়ে এই গোচৰৰ অনুপাতটো ভুলকৈ প্রয়োগ কৰিছে আৰু ভুলকৈ ধাৰণা কৰিছে যে, আপীলকাৰী কোম্পানীয়ে কেচিয়াৰ আৰু ডেভেলপমেন্ট অফিচাৰজনক হাজিৰ নকৰাৰ বাবে বীমা কোম্পানীয়ে ক্ষতিপূৰণ দিবলৈ দায়বদ্ধ।

১০. আমি পক্ষসমূহৰ বিদ্বান পৰামর্শদাতাৰ যুক্তি শুনিছো আৰু লগতে প্রাসঙ্গিক নথিপত্রসমূহ সাৱধানে পৰীক্ষা কৰিছো। ই আপীলকাৰীৰ হৈ হাজিৰ হোৱা বিদ্বান পৰামর্শদাতাই উল্লেখ কৰিছিল যে, গোচৰটোৰ সৈতে জড়িত বিতর্ক *ৰেছ ইন্টিগ্রা*(আইনৰ আওঁতাৰ বাহিৰত) হৈ থকা নাই। বর্তমানৰ গোচৰটোত যদিও উচ্চ ন্যায়ালয়ে আইনখন সঠিকভাৱে প্রকাশ কৰিছে, কিন্তু এই আদালতৰ ৰায়সমূহৰ অনুপাত সঠিকভাৱে প্রয়োগ নকৰাত গুৰুতৰ ভুল কৰিছে। তেওঁ লগতে কয় যে, যেতিয়া বীমা পলিচী আৰু মটৰ নৱীকৰণ অনুমোদন যথাযথভাৱে দাখিল কৰা হৈছিল আৰু এই নথিপত্রবোৰ ন্যায়াধিকৰণৰ আগত যথাযথভাৱে প্রমাণিত হৈছিল, সেই ক্ষেত্রত, সমগ্র

বিতৰ্কটোত এই দুখন নথিপত্ৰৰ ভিত্তিত সিদ্ধান্ত লোৱা উচিত আছিল আৰু সিদ্ধান্ত লোৱাৰ বাবে কেচিয়াৰ আৰু ডেভেলপমেন্ট অফিচাৰৰ উপস্থিতি একেবাৰে প্ৰয়োজনীয় নাছিল।

১১. আনহাতে, উত্তৰদাতাসকলৰ বিদ্বান পৰামৰ্শদাতাই ন্যায়াধিকৰণ আৰু উচ্চ ন্যায়ালয়ৰ ৰায়ৰ সমৰ্থন কৰিছিল।

১২. স্বীকাৰ কৰিব পাৰি যে, ২০-০৭-১৯৯৪ৰ ৰাতিপুৱা ৯.১৫বজাত দুৰ্ঘটনাটো সংঘটিত হোৱাৰ সময়ত, উত্তৰদাতাৰ বীমা আৱৰণ নাছিল। বীমা পলিচীখন ২০-০৭-১৯৯৪ত দিনৰ ২বজাত কৰিছিল, যি ৰায়ৰ আৰম্ভণিতে নিৰ্ধাৰিত মটৰ নৱীকৰণ অনুমোদনত স্পষ্টভাৱে প্ৰকট হয়।

১৩. বীমা পলিচী আৰু মটৰ নৱীকৰণ অনুমোদন নথিভুক্ত হৈ আছিল। এই দুয়োখন নথিপত্ৰ আপীলকাৰী কোম্পানীয়ে প্ৰস্তুত কৰিছিল আৰু প্ৰমাণ কৰিছিল। ট্ৰাইবুনেল আৰু উচ্চ ন্যায়ালয়ে এই মৌলিক আৰু গুৰুত্বপূৰ্ণ নথিপত্ৰসমূহক উপেক্ষা কৰি আৰু কেচিয়াৰ আৰু ডেভেলপমেন্ট অফিচাৰজনক হাজিৰ নকৰাৰ ভিত্তিত আপীলকাৰী কোম্পানীৰ বিৰুদ্ধে গোচৰটো নিষ্পত্তি কৰাত গুৰুতৰ ভুল কৰিছে। উচ্চ ন্যায়ালয়ৰ এই স্পষ্ট ভুল দৃষ্টিভংগীৰ ফলত ন্যায়ৰ গুৰুতৰ অৱনতি ঘটিছে।

১৪. এই আদালতে *নিউ ইণ্ডিয়া বীমা কোম্পানী বনাম ৰাম দয়াল,* [১৯৯০] ২ এছ. চি. আৰ. ৫৭০ৰ গোচৰত একেধৰণৰ বিতৰ্ক পৰীক্ষা কৰাৰ সুযোগ পাইছিল। এইক্ষেত্ৰত, আদালতে ৰায় দিছিল যে, পলিচীত উল্লেখ কৰা কোনো নিৰ্দিষ্ট সময়ৰ অনুপস্থিতিত, চুক্তিখন সাধাৰণ দফা আইনৰ ব্যৱস্থাৰ দ্বাৰা মাজনিশাৰ পৰা কাৰ্যকৰী হ'ব কিন্তু, বীমা পলিচীত উল্লেখ কৰা বিশেষ চুক্তিৰ প্ৰতি লক্ষ্য ৰাখি, পলিচীত উল্লেখ কৰা সময় আৰু তাৰিখৰ পৰাই পলিচীৰ কাৰ্যকৰীতা আৰম্ভ হ'ব।

১৫. এই আদালতৰ তিনিজনীয়া বিচাৰপীঠে *মেচাৰ্চ নেচনেল ইনচুৰেঞ্চ কোম্পানী লিমিটেড বনাম শ্ৰীমতী জিখুভাই নাথুজী দাভি,* [১৯৯৭] এল এছ. চি. চি. ৬৬ গোচৰত মতপ্ৰকাশ কৰিছে যে, সেই দিশত উল্লেখ কৰা কোনো নিৰ্দিষ্ট সময়ৰ অনুপস্থিতিত, চুক্তিখন সাধাৰণ দফা আইনৰ ব্যৱস্থাসমূহ কাৰ্যকৰী কৰি মাজনিশাৰ পৰা কাৰ্যকৰী হ'ব। কিন্তু বীমা পলিচীত উল্লেখ কৰা বিশেষ

চুক্তিৰ প্ৰতি লক্ষ্য ৰাখি বীমা পলিচী লোৱাৰ সময় আৰু তাৰিখৰ পৰা ই কাৰ্যকৰী হ'ব। সেই ক্ষেত্ৰত, বীমা পলিচীখন ২৫-১০-১৯৮৩ৰ সন্ধিয়া ৪বজাত লোৱা হৈছিল আৰু ইয়াৰ পূৰ্বেই দুৰ্ঘটনাটো সংঘটিত হৈছিল। এই আদালতে ৰায় দিছিল যে, ই বীমা কভাৰেজে দাবীদাৰক আপীলকাৰী কোম্পানীৰ পৰা ধনৰাশি উদ্ধাৰ কৰিবলৈ সক্ষম নকৰে।

১৬. এই আদালতৰ আন তিনিজনীয়া বিচাৰপীঠে *মেচাৰ্চ অৰিয়েণ্টেল ইন্সুৰেঞ্চ কোম্পানী লিমিটেড বনাম সুনীতা ৰথী,* [১৯৯৮] ১ এছ.চি.চি. ৩৬৫ত একেধৰণৰ তথ্যৰ ওপৰত আলোচনা কৰিছিল। এই ক্ষেত্ৰত, দুৰ্ঘটনাটো দিনৰ ২.২০বজাত সংঘটিত হৈছিল আৰু তাৰ পিছতহে দুপৰীয়া ২.৫৫বজাত কভাৰ নোটটো লাভ কৰা হৈছিল। আদালতে পৰ্যবেক্ষণ কৰিছিল যে, পলিচীত উল্লেখ কৰা সময় আৰু তাৰিখৰ পৰাই এই পলিচী কাৰ্যকৰী হ'ব।

১৭. *নিউ ইণ্ডিয়া এচুৰেন্স কোম্পানী বনাম ভগৱতী দেৱী,* [১৯৯৮] ৬ এছ.চি.চি. ৫৩৪ গোচৰত এই আদালতে মন্তব্য কৰিছিল যে, কোনো নিৰ্দিষ্ট সময় আৰু তাৰিখৰ অনুপস্থিতিত, বীমা পলিচী পূৰ্বৰ দিনাৰ মাজনিশাৰ পৰা কাৰ্যকৰী হৈ পৰে। কিন্তু যেতিয়া নিৰ্দিষ্ট সময় আৰু তাৰিখ উল্লেখ কৰা হয়, তেতিয়া বীমা পলিচী সেই সময়ৰ পৰা কাৰ্যকৰী হয়। *নিউ ইণ্ডিয়া এচুৰেন্স কোম্পানী লিমিটেড বনাম সীতা বাই,* [১৯৯৯] ৭ এছ.চি.চি. ৫৭৫ আৰু *ৰাষ্ট্ৰীয় বীমা কোম্পানী লিমিটেড বনাম চিন্ত দেৱী,* [২০০০] ৭ এছ.চি.চি. ৫০-ত আদালতে অনুৰূপ দৃষ্টিভংগী গ্ৰহণ কৰিছে।

১৮. *কলাইৰানী আৰু অন্যান্য বনাম কে. শিৱশংকৰ আৰু অন্যান্য,* জে.টি. (২০০১) ১০ এছ.চি. ৩৯৬ গোচৰত এই আদালতে আইনৰ স্পষ্ট ব্যাখ্যাৰ পুনৰাবৃত্তি কৰিছে। আদালতে পৰ্যবেক্ষণ কৰিছিল যে, পলিচীখন আৰম্ভ কৰা বা ম্যাদ উকলি যোৱাৰ বাবে কোনো নিৰ্দিষ্ট সময় নিৰ্ধাৰণ কৰা হৈছে নে নাই সেয়া বিচাৰি উলিয়াবলৈ বীমাৰ চুক্তি পৰীক্ষা কৰাটো আদালতৰ দায়িত্ব। বহু সংখ্যক গোচৰ আমাৰ দৃষ্টিগোচৰ হৈছে- য'ত বীমা পলিচীসমূহ দুৰ্ঘটনাৰ লগে লগে গোপনে ক্ষতিপূৰণ লাভ কৰিবলৈ লোৱা হয়।

১৯. দুৰ্ঘটনাৰ পিছত বীমা পলিচী লাভ কৰাৰ এই ব্যাপক অপপ্ৰচাৰ নিয়ন্ত্ৰণ কৰিবলৈ, বীমা পলিচীৰ ফলপ্ৰসূতা পলিচীত অন্তৰ্ভুক্ত সময় আৰু তাৰিখৰ পৰা আৰম্ভ হ'ব বুলি স্পষ্টভাৱে ধৰি ৰখাটো জৰুৰী, আগৰ সময়ৰ পৰা নহয়।

২০. আমাৰ পূৰ্বৱৰ্তী সিদ্ধান্তৰ প্ৰতি লক্ষ্য ৰাখি, এই আপীলসমূহৰ অনুমতি দিব লাগিব আৰু আমি সেই অনুসৰি নিৰ্দেশ দিম। ফলস্বৰূপে, উচ্চ ন্যায়ালয়ৰ বিচাৰাধীন ৰায়সমূহ বাতিল কৰা হয়। গোচৰটোৰ নিৰ্দিষ্ট তথ্য আৰু পৰিস্থিতিত, আমি পক্ষসমূহক তেওঁলোকৰ নিজৰ খৰচ বহন কৰিবলৈ নিৰ্দেশ দিওঁ।

ডি. জি.

আপীলৰ অনুমতি দিয়া হৈছে।

---------------------------------------------

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক

অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।”